# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ভাৰতীয় এথলীট নীৰজ চোপ্ৰাই বছৰৰ শ্ৰেষ্ঠ প্ৰদৰ্শনেৰে ৮৯ দশমিক ৪-৫ মিটাৰলৈ জাঠী নিক্ষেপ কৰি যোৱানিশা পেৰিছ্ অলিম্পিকৰ পুৰুষৰ জেভলিনত ৰূপৰ পদক অৰ্জন কৰে। অলিম্পিকত আজি ভাৰতীয় এথলীটসকলে মল্লযুদ্ধ, এথলেটিকছ্ আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

২। সংসদে বিত্ত বিধেয়ক ২০২৪, বিনিয়োজন বিধেয়ক ২০২৪ আৰু জম্মু-কাশ্মীৰ বিনিয়োজন বিধেয়ক ২০২৪ গ্ৰহণ কৰিছে।

৩। আজিৰ পৰা ১৫ আগষ্টলৈ দেশজুৰি **হৰ ঘৰ তিৰংগা** অভিযান চলোৱা হ'ব।

*আৰু*

৪। নবেল ব'টা প্ৰাপক মহম্মদ ইউনুছে বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে শপতগ্ৰহণ কৰিছে।

00000

ভাৰতীয় এথলীট নীৰজ চোপ্ৰাই বছৰৰ শ্ৰেষ্ঠ প্ৰদৰ্শনেৰে ৮৯ দশমিক ৪-৫ মিটাৰলৈ জাঠী নিক্ষেপ কৰি যোৱানিশা পেৰিছ্ অলিম্পিকৰ পুৰুষৰ জেভলিনত ৰূপৰ পদক অৰ্জন কৰে। পাকিস্তানৰ অৰ্শদ নদীমে ৯২ দশমিক ৯-৭ মিটাৰলৈ জাঠী নিক্ষেপ কৰি ৯০ দশমিক ৫-৭ মিটাৰৰ সৰ্বকালৰ অলিম্পিক অভিলেখ ভংগ কৰি সোণৰ পদক অৰ্জন কৰে।

কালিৰ প্ৰদৰ্শনৰ সুবাদত নীৰজ চোপ্ৰা স্বাধীনতা লাভৰ পাছত এথলেটিক্সত দুটাকৈ পদক অৰ্জন কৰা ভাৰতীয় ট্ৰেক এণ্ড ফিল্ড এথলীট ৰূপে পৰিগণিত হৈছে। নীৰজ চোপ্ৰা ২০০৮ আৰু ২০১২ৰ অলিম্পিকত ক্ৰমে ব্ৰঞ্জ আৰু ৰূপৰ পদক লাভ কৰা মল্লযোদ্ধা সুশীল কুমাৰৰ পাছত একেৰাহে পদক অৰ্জন কৰা দ্বিতীয়গৰাকী ভাৰতীয় পুৰুষ খেলুৱৈ আৰু সামগ্ৰীকভাৱে দেশৰ তৃতীয়গৰাকী খেলুৱৈৰূপে পৰিগণিত হৈছে। উল্লেখযোগ্য যে, পি ভি সিন্ধুৱেও ৰিঅ' আৰু টকিঅ' অলিম্পিকত একেৰাহে পদক অৰ্জন কৰিছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে অলিম্পিকত ৰূপৰ পদক অৰ্জন কৰাৰ বাবে নীৰজ চোপ্ৰাক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁৰ বাৰ্তাত কয় যে, খেলুৱৈগৰাকীক লৈ দেশ গৌৰৱান্বিত আৰু তেওঁৰ সাফল্যই ভৱিষ্যতৰ প্ৰজন্মসমূহক অনুপ্ৰেৰণা যোগাব।

প্ৰধানমন্ত্ৰী মোদীয়ে নিজৰ বাৰ্তাত কয় যে, নীৰজ চোপ্ৰাই বাৰে বাৰে নিজৰ প্ৰতিভাৰ পৰিচয় দি আহিছে। তেওঁ কয় যে, নীৰজ পুনৰ অলিম্পিক সফলতাৰে স্বদেশলৈ ঘূৰি অহা কথাটোৱে দেশবাসীক আনন্দিত কৰিছে।

গৃহমন্ত্ৰী অমিত শ্বাহে এটা বাৰ্তা যোগে নীৰজ চোপ্ৰাৰ প্ৰশংসা কৰি কয় যে, খেলুৱৈগৰাকীয়ে ত্ৰিৰংগ পতাকাৰ মান বৃদ্ধি কৰিছে।

০০০০০

পেৰিছ অলিম্পিকত আজি ভাৰতীয় এথলীটসকলে মল্লযুদ্ধ, এথলেটিকছ আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। মল্লযুদ্ধত অমন শ্বেৰাৱটে পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদকৰ যুঁজত পুৱেৰ্টো ৰিকোৰ প্ৰতিদ্বন্দ্বীৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় অনুসৰি নিশা প্ৰায় ৯ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। এথলেটিকছত ভাৰতৰ পুৰুষ আৰু মহিলা দলে ফৰ ইনটু ফৰ হাণ্ড্ৰেড মিটাৰ ৰিলে দৌৰত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। পুৰুষ দলটো দিনৰ ২ বাজি ৩৫ মিনিটত হিট টুত অৱতীৰ্ণ হোৱাৰ বিপৰীতে মহিলা ৰিলে দলটো দিনৰ ২ বাজি ১০ মিনিটত হিট টুৰ প্ৰথম ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে অদিতি অশোক আৰু দীক্ষা দাগৰে গল্ফৰ তৃতীয় ৰাউণ্ডত দেশত প্ৰতিনিধিত্ব কৰিব। তৃতীয় ৰাউণ্ডৰ খেলসমূহ দুপৰীয়া প্ৰায় চাৰে ১২ বজাত আৰম্ভ হ'ব।

০০০০০

সংসদে বিত্ত বিধেয়ক ২০২৪, বিনিয়োজন বিধেয়ক ২০২৪ আৰু জম্মু-কাশ্মীৰ বিনিয়োজন বিধেয়ক ২০২৪ গ্ৰহণ কৰিছে। ৰাজ্যসভাই কালি আলাপ আলোচনাৰ অন্তত এই বিধেয়ক কেইখন লোকসভালৈ ঘূৰাই পঠায়। লোকসভাত ইতিমধ্যে বিধেয়ক কেইখন গৃহীত হৈছে। ইয়াৰ লগে লগে সংসদে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে বাজেট প্ৰক্ৰিয়াও সম্পূৰ্ণ কৰে।

বিত্ত বিধেয়কে ২০২৪-২৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰে। বিনিয়োজন বিধেয়কৰ জৰিয়তে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সেৱাসমূহৰ বাবে একীকৃত পুঁজিৰ পৰা ধনাদায় আৰু বিনিয়োজনক ক্ষমতা প্ৰদান কৰা হয়।

ৰাজ্যসভাৰ বিধেয়ক তিনিখন সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি কয় যে, চৰকাৰে কোৱিডৰ পাছৰে পৰা অহৰহ মূলধনী ব্যয়ত গুৰুত্ব আৰোপ কৰি আহিছে আৰু এই শিতানত অধিক ধন ব্যয় কৰি আহিছে। তেওঁ কয় যে, ২০২৩-২৪ বৰ্ষত ফলপ্ৰসূ মূলধনী ব্যয় ১৫ লাখ ২ হাজাৰ কোটি টকা অথবা ১৮ শতাংশ বুলি গণ্য কৰিব পৰা যায়। তেওঁ কয় যে, চৰকাৰে ভাৰতীয় অৰ্থ ব্যৱস্থাই নিজাববীয়া গোলকীয় প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা উচিত বুলি বিবেচনা কৰি মূলধনী ব্যয়ত গুৰুত্ব আৰোপ কৰি আহিছে। মূলধনী ব্যয়ৰ এনে প্ৰচেষ্টাৰ বাবে ভাৰত বিশ্বৰ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰ অন্যতম হৈ আছে আৰু এই বছৰো সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থ ব্যৱস্থাৰ মৰ্যাদা অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমতী সীতাৰমনে কয় যে, ২০২৪-২৫ বৰ্ষত ৰাজ্যসমূহলৈ হস্তান্তৰৰ বাবে প্ৰস্তাৱিত মুঠ সম্পদ ২২ লাখ ৯১ হাজাৰ কোটি টকা হ'ব বুলি পূৰ্বানুমান কৰা হৈছে। এই পৰিমাণ ২০২৩-২৪ বৰ্ষৰ তুলনাত ২ লাখ ৪৯ হাজাৰ কোটি টকা অধিক। তেওঁ কয় যে, এই বছৰ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত খৰচৰ বাবদ ধাৰ্য কৰা ধনৰ পৰিমাণ যোৱা বছৰৰ ৬১ হাজাৰা ১১৮ কোটি টকাৰ পৰা ৬৮ হাজাৰ ৬৬০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।

নিৰ্মাণ খণ্ড সন্দৰ্ভত মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, ঘৰুৱা কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি, অহা ৫ বছৰত গোলকীয় মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ উচ্চ আৰু বহনক্ষম বিকাশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্মাণ খণ্ডত সহায় আগবঢ়োৱাৰ বাবে ভালেমান পদক্ষেপ লোৱা হৈছে। বিৰোধী পক্ষই উত্থাপন কৰা অভিযোগ খণ্ডন কৰি শ্ৰীমতী সীতাৰমনে কয় যে, বাজেটত কৃষি আৰু আনুসংগিক খণ্ডৰ বাবে ধাৰ্য কৰা ধন কৰ্তন কৰা হোৱা নাই বৰং

এনে খণ্ডৰ বাবে ধাৰ্য কৰা ধন বৃদ্ধিহে কৰা হৈছে। তেওঁ কয় যে, ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত চৰকাৰে কৃষি খণ্ডৰ বাবে পূৰ্বৰ ১ লাখ ৪৪ হাজাৰ কোটি টকাৰ বিপৰীতে ১ লাখ ৫২ হাজাৰ কোটি টকা আছুতীয়াকৈ ৰাখিছে। এইবাৰৰ বাজেটত মহিলা আৰু শিশু বিকাশৰ বাবেও যথেষ্ট ধন আৱণ্টন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ২০১৩-১৪ বৰ্ষৰ বাজেটত এই শিতানৰ বাবে মাত্ৰ ৯৬ হাজাৰ কোটি টকা আৱণ্টন কৰাৰ বিপৰীতে এইবেলি এই শিতানৰ বাবে ৩ লাখ ২৭ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। ৰে'ল বাজেট সন্দৰ্ভত শ্ৰীমতী সীতাৰমনে কয় যে, ৰে'ল বাজেটক মুখ্য বাজেটৰ সৈতে চামিল কৰাৰ পাছৰে পৰা আৱণ্টিত ধনৰাশি কম হোৱা নাই বৰং বৃদ্ধিহে পাইছে। বিত্তমন্ত্ৰীগৰাকীয়ে লগতে প্ৰধানমন্ত্ৰী জন-ধন একাউণ্ট বা ন্যূনতম বুনিয়াদী ছেভিং বেংক একাউণ্ট ধাৰকসকলৰ ক্ষেত্ৰত ন্যূনতম জমা ধনৰাশিৰ নিয়ম প্ৰযোজ্য নহয় বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে। মুঠ ৬৫ কোটি বুনিয়াদী ছেভিং বেংক একাউণ্টৰ ভিতৰত ৭২ কোটিয়েই জন-ধন একাউণ্ট বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। স্বাস্থ্য আৰু জীৱন বীমাৰ কিস্তিৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱাকৰ প্ৰত্যাহাৰৰ বাবে বিৰোধী পক্ষই জনোৱা দাবী সন্দৰ্ভত বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে, এই সন্দৰ্ভত সামগ্ৰী আৰু সেৱাকৰ পৰিষদেহে সিদ্ধান্ত গ্ৰহণ কৰিব। তেওঁ কয় যে, চিকিৎসা বীমাৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰৰ বিষয়টো সম্পূৰ্ণ ৰূপে সামগ্ৰী আৰু সেৱা কৰৰ পৰিষদৰ আওতাৰ বিষয়।

ইয়াৰ পূৰ্বে আলোচনাৰ পাতনি মেলি কংগ্ৰেছ সাংসদ বিবেক তন্‌খাই দেশৰ মহিলাসকলৰ বাবে কৰৰ বিশেষ স্তৰৰ ব্যৱস্থা নাই বুলি মন্তব্য কৰে। তেওঁ মহিলা উদ্যমীসকলৰ বাবে সুকীয়া কাৰ্য চৌহদৰ দাবী জনায়। বিজেপিৰ ৰমিলাবেন বাৰাই আলোচনাত ভাগ লৈ এইবাৰৰ বাজেটখনক দুখীয়া, গ্ৰামাঞ্চলৰ জনসাধাৰণ, যুব প্ৰজন্ম আৰু মহিলাৰ বাজেট আখ্যা দিয়ে। তেওঁ কয় যে বিত্ত মন্ত্ৰীগৰাকীয়ে বিধেয়কখনত মহিলাৰ উপকাৰৰ অৰ্থে বিভিন্ন ব্যৱস্থাৰ প্ৰস্তাব দিছে। তৃণমূল কংগ্ৰেছৰ সাংসদ দোলা সেনে জীৱন বীমা আৰু স্বাস্থ্য বীমাৰ ওপৰত আৰোপিত ১৮ শতাংশৰ সামগ্ৰি আৰু সেৱা কৰ প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। একেদৰে ৱাই এছ্ আৰ চি পিৰ সাংসদ ভি বিজয়ছাই ৰেড্ডীয়ে বিত্তমন্ত্ৰীক বিভিন্ন আঁচনিৰ অধীনত সকলো ছেভিং একাউণ্টক জিৰ' বেলেন্স একাউণ্টলৈ পৰিৱৰ্তন কৰিবলৈ অনুৰোধ জনায়। আম আদমী পাৰ্টীৰ সঞ্জয় সিং, বি জে ডিৰ দেৱাশিষ ছামন্তৰে আৰু ডি এম কেৰ কানীমোড়ি এন ভি এন ছমুৱে আলোচনাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে ৰাজ্যসভাই বিশেষ প্ৰস্তাৱ সম্পৰ্কে আলোচনা কৰে। ইয়াৰ অধীনত সাংসদসকলে ৰাজহুৱা গুৰুত্বৰ বিভিন্ন বিষয় উত্থাপন কৰে। পাছত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

ooooo

নাগৰিকসকলৰ হৃদয়ত দেশৰ প্ৰেমৰ অনুভূতি জগাই তোলাৰ উদ্দেশ্যে আজিৰ পৰা ১৫ আগষ্টলৈ দেশজুৰি **হৰ ঘৰ তিৰংগা** অভিযান চলোৱা হ'ব। নতুন দিল্লীত কালি এখন সংবাদমেলক সম্বোধন কৰি সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি এৰোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে, স্বাধীনতাৰ অমৃত মহোৎৱৰ লগত সংগতি ৰাখি ২০২২ চনত **হৰ ঘৰ তিৰংগা** আৰম্ভ কৰা হৈছিল। তেওঁ কয় যে, যোৱা বছৰ ১০ কোটিতকৈ অধিক লোকে ৰাষ্ট্ৰীয় পতাকাৰ সৈতে ছেলফি আপলোড কৰিছে। এইবেলি **হৰ ঘৰ**

**তিৰংগা** অভিযানৰ সময়ত ২০০ৰো অধিক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ১৩ আগষ্টত সাংসদ আৰু মন্ত্ৰীসকলে তিৰংগা বাইক ৰেলীত ভাগ ল'ব।

ooooo

নবেল ব'টা প্ৰাপক মহম্মদ ইউনুছে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে শপতগ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতি মহম্মদ শ্বাহাবুদ্দিনে কালি যোৱানিশা ঢাকাৰ বংগ ভৱনত তেওঁক শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত বিভিন্ন দেশৰ কূটনীতিবিদ উপস্থিত থাকে। ১৯৪০ চনৰ ২৮ জুনত জন্মগ্ৰহণ কৰা মহম্মদ ইউনুছ বাংলাদেশৰ এগৰাকী প্ৰসিদ্ধ উদ্যমী, বেংকাৰ আৰু অৰ্থনীতিবিদ। গ্ৰামীণ বেংকৰ প্ৰতিষ্ঠা আৰু ক্ষুদ্ৰ ঋণ আৰু বিত্তী যোগানৰ অৱধাৰণা আগুৱাই নিয়াৰ বাবে তেওঁক ২০০৬ বৰ্ষত শান্তিৰ নবেল বঁটাৰে সন্মানিত কৰা হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাংলাদেশত নতুন দায়িত্ব গ্ৰহণ কৰাৰ বাবে মহম্মদ ইউনুছক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে বাংলাদেশত হিন্দু আৰু অন্য সংখ্যালঘু সম্প্ৰদায়ৰ সুৰক্ষা সুনিশ্চিত কৰি শীঘ্ৰে স্বাভাৱিক অৱস্থা ঘূৰি আহিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে, শান্তি, সুৰক্ষা আৰু বিকাশৰ বাবে দুয়োখন দেশৰ জনসাধাৰণৰ উমৈহতীয়া আশা-আকাংক্ষা পূৰণ কৰাৰ অৰ্থে বাংলাদেশৰ সৈতে কাম কৰিবলৈ ভাৰত বদ্ধপৰিকৰ।

ooooo

**সমাপ্ত**